**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-06-2026 **Time :** 1100 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিলেখ সংখ্যক সুদীৰ্ঘ ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাতো খণ্ড পৰ্যায়ত তিনি দিনীয়া জনসেৱামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সেই অনুসৰি পৰহিলৈৰ পৰা ২০ জুনলৈ জিলাখনৰ ১৩টা উন্নয়নখণ্ডৰ এলেকাৰ প্ৰতিটোতে এটাকৈ তিনি দিনীয়া জনকল্যাণ শিবিৰ অনুষ্ঠিত হ'ব। এই শিবিৰসমূহত কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ যিকোনো আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত লোকসকলে আবেদন কৰিলে তেওঁলোকক যোগ্যতাৰ ভিত্তিত যথাসম্ভৱ শীঘ্ৰে আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। এই শিবিৰসমূহ সুচাৰুৰূপে চলাবলৈ কালি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ সভাপতিত্বত এখন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্তগৰাকীয়ে জন হিতকাৰী আঁচনি ৰূপায়ণ কৰি থকা বিভিন্ন বিভাগক শিবিৰত একোখনকৈ বিপণী স্থাপন কৰি আঁচনিসমূহৰ বিষয়ে জনসজাগতা সৃষ্টি কৰাৰ লগতে আঁচনিৰ সুবিধা উপযুক্ত আবেদনকাৰীক ঠাইতে প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জনকল্যাণ শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা আৰু সমন্বয় সভা অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিতে পৰহিলৈৰ পৰা ২০ জুনলৈ হ'বলগীয়া জনকল্যাণ শিবিৰ আৰু জন সচেতনতা প্ৰদৰ্শনীৰ সফল ৰূপায়ণৰ বাবে বিতং পৰিকল্পনা কৰা হয়।০

০০০০০০০

যোৰহাট জিলাৰ তিতাবৰ সম জিলাৰ অন্তৰ্গত লোকনিৰ্মাণ বিভাগে ৰূপায়ণ কৰি থকা বিভিন্ন আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে কালি তিতাবৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়ক, সমজিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, যোৰহাট লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা, সহকাৰী কাৰ্যবাহী অভিযন্তা আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত বিভিন্ন প্ৰকল্পৰ চলি থকা কাম-কাজসমূহৰ লগতে উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়।

০০০০০০০

শিশুসকলৰ ডায়েৰীয়াজনিত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যজুৰি ডায়েৰীয়া ৰোধ অভিযান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে ORS আৰু জিংক পৰিপূৰকৰ ব্যৱহাৰ, অনাময় শৌচাগাৰৰ প্ৰয়োজনীয়তা তথা জন সচেতনতা বৃদ্ধিৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে বিশেষ কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব। অহা ৩১ জুলাইলৈ চলিবলগীয়া এই অভিযানৰ অংশ স্বৰূপে আজি দিনৰ ১১ বজাত শ্ৰী ভূমিৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা

হৈছে। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ বিষয়া, চিকিৎসক, নাৰ্চ, আশা কৰ্মী আৰু বিভিন্ন স্তৰৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকিব।

০০০০০০০০

ডিব্ৰুগড় জিলা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত নিচাজাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই কালি বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে ইয়াৰ সৈতে জড়িত কেইবাজনো লোকক কৰায়ত্ত কৰে। আৰক্ষীয়ে জিলাখনৰ চাবুৱা, দুলীয়াজান, বৰবৰুৱা আদি অঞ্চলত অভিযান চলাই সুৰেন্দ্ৰ গৰ, গংগাৰাম গোৱালা, অনিতা তাঁতী নামৰ লোককেইগৰাকীক কৰায়ত্ত কৰাৰ লগতে তেওঁলোকৰ পৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰে। জিলা আৰক্ষী অধীক্ষকে সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰে।

০০০০০০০

অসম আৰক্ষীৰ বিশেষ টাস্ক ফোৰ্চে ভুৱা চালান ব্যৱহাৰ কৰি কৰ ফাঁকি দিয়া এটা বৃহৎ চক্ৰ বিৰুদ্ধে পৰহি আৰু কালি নিশা গুৱাহাটী, কলকাতা আৰু পাটনাত সমন্বিত অভিযান চলায় ৮ জন লোকক আটক কৰে। উল্লেখযোগ্য যে ৰাজ্যিক জি এছ্ টি বিভাগৰ অভিযোগৰ ভিত্তিত চলোৱা এই অভিযান ২০২১-২২ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ ভুৱা চালান দেখুৱাই প্ৰায় ২১ কোটি ছয় লাখ টকাৰ ইনপুট টেক্স ক্ৰেডিট বা আগতীয়া কৰ জমা লোৱাৰ কথা পোহৰলৈ আহে। সুদ আৰু জৰিমণাসহ এই পৰিমাণ মুঠ ৪৭ কোটি ৭১ লাখ হোৱা বুলি অনুমান কৰা হৈছে। আৰক্ষী সূত্ৰত প্ৰকাশ পোৱা মতে কোনো ধৰণৰ সামগ্ৰীৰ যোগান বা চলাচল নোহোৱাকৈয়ে ভুৱা বিল আৰু চালান ব্যৱহাৰ কৰি দীৰ্ঘদিন ধৰি চক্ৰটোৱে এই অবৈধ বেহা চলাই আছিল।

০০০০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ শিংৰীমাৰী গাঁৱৰ বিশিষ্ট সমাজসেৱক ৰাৱণ বড়োৰ কালি নিশা মৃত্যু হয়। কিছুদিন পূৰ্বে এটা দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ চিকিৎসা চলি থকা অৱস্থাতে তেওঁৰ দেহাৱসান ঘটে। সমাজসেৱকগৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে।

০০০০০০০

যোৰহাট জেইল ৰোড নিবাসী বিশিষ্ট লেখক তথা নেইষ্টৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিজ্ঞানী ডঃ অঞ্জন বৰুৱাৰ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ডঃ বৰুৱাই বিশ্ববন্দিত চাহ শিল্প, চাহ শিল্পৰ কথা আৰু অসম আদি বিষয়ত উল্লেখনীয় গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। বিভিন্ন কাকত-আলোচনীত নিয়মীয়াকৈ লেখা প্ৰকাশ পোৱা ডঃ বৰুৱাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০০

**সমাপ্ত**